# ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় পাৰ্থক্য তত্ত্ব
# (Ricardo's Theory of Comparative Cost)

ডেভিড ৰিকাৰ্ডোই পূৰ্ণাংগ ব্যয় পাৰ্থক্যৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কাৰণ হিচাপে চিনাক্ত কৰা নাই। তেখেতৰ মতে, তুলনামূলক ব্যয় পাৰ্থক্য বা সুবিধায়েই হৈছে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰধান কাৰণ। তুলনামূলক ব্যয়ৰ সংজ্ঞা প্ৰদান কৰিবলৈ যাওঁতে তেখেতে কৈছে যে দুয়োখন দেশৰ ভিতৰত এখনে দুয়োটা দ্ৰব্যই কম খৰচত উৎপাদন কৰিব পাৰে। এক অতি সুন্দৰ উদাহৰণৰ সহায়ত তেখেতে তুলনামূলক ব্যয় পাৰ্থক্যৰ বিষয়টো ব্যাখ্যা কৰিছে। তলত তেখেতৰ উদাহৰণৰ সহায়ত তুলনামূলক ব্যয় বা সুবিধাৰ প্ৰকৃত অৰ্থ ব্যাখ্যা কৰা হৈছে।

উদাহৰণস্বৰূপে ইংলেণ্ডত কাপোৰৰ এটা গোট উৎপাদন কৰোঁতে ১০০ ঘণ্টাৰ আৰু মদৰ এটা গোট উৎপাদন কৰোঁতে ১২০ ঘণ্টাৰ শ্ৰমৰ প্ৰয়োজন হয় আৰু পৰ্তুগালত সমপৰিমাণৰ কাপোৰ উৎপাদন কৰোঁতে ৯০ ঘণ্টাৰ আৰু সমপৰিমাণৰ মদ উৎপাদন কৰোঁতে ৮০ ঘণ্টা শ্ৰমৰ প্ৰয়োজন হয়। উদাহৰণটোৰ পৰা এইটো স্পষ্টভাৱে দেখা গৈছে যে দুয়োটা দ্ৰব্য উৎপাদনৰ ক্ষেত্ৰত ইংলেণ্ডতকৈ পৰ্তুগালৰ সুবিধা অধিক। কাৰণ পৰ্তুগালে কাপোৰ আৰু মদ দুয়োটা দ্ৰব্যই ইংলেণ্ডতকৈ কম ব্যয়ত উৎপাদন কৰিবলৈ সক্ষম। অৱশ্যে এক তুলনামূলক অধ্যয়ন চলালে দেখা যায় যে কাপোৰৰ তুলনাত মদ উৎপাদনত পৰ্তুগালত ইংলেণ্ডতকৈ সুবিধা অধিক। কাৰণ মদৰ ক্ষেত্ৰত পৰ্তুগালৰ লগত ইংলেণ্ডৰ ব্যয় পাৰ্থক্য কাপোৰৰ ব্যয় পাৰ্থক্যতকৈ অধিক $\left(\frac{৮০}{১২০} > \frac{৯০}{১০০}\right)$

ওপৰত উল্লেখিত ব্যয় পাৰ্থক্যই এইটো প্ৰতিপন্ন কৰিছে যে ইংলেণ্ডৰ তুলনাত পৰ্তুগালৰ মদ উৎপাদনত সুবিধা অধিক। অৰ্থাৎ ইংলেণ্ডৰ পতুৰ্গালৰ তুলনাত কাপোৰৰ উৎপাদনতকৈ মদ উৎপাদনত অসুবিধা অধিক। আনকথাত ক'বলৈ হ'লে পূৰ্ণ ব্যয় পাৰ্থক্যৰ দৃষ্টিকোণৰপৰা ইংলেণ্ডৰ কাপোৰ উৎপাদনত অসুবিধা আছে; কিন্তু তুলনামূলক হিচাপে বিচাৰ কৰিলে কাপোৰ উৎপাদনত সুবিধা আছে।

ধৰা হওক, দেশ দুখনৰ মাজত কোনো ব্যৱসায়-বাণিজ্য সংঘটিত হোৱা নাই। এনে অৱস্থাত ইংলণ্ডত মদ আৰু কাপোৰৰ বিনিময় হাৰ হ'ব মদৰ এটা গোটৰ বিপক্ষে ১.২ গোট কাপোৰ (I unit of wine : 1.2 units of cloth) আৰু পৰ্তুগালত দ্ৰব্য দুটাৰ বিনিময় হাৰ হ'ব মদৰ ১ টা গোটৰ বিপক্ষে কাপোৰৰ ০.৮৮ টা গোট কাপোৰ (I unit of wine : 0.88 units of cloth) । যদি দেশ দুখনৰ মাজত ব্যৱসায়-বাণিজ্য আৰম্ভ হয় তেতিয়া পৰ্তুগালৰ কাৰণে ইংলেণ্ডলৈ মদ ৰপ্তানি কৰাটো সুবিধাজনক হ'ব, কাৰণ নিজ দেশত মদৰ এটা গোটৰ বিপক্ষে ০.৮৮ টা গোট কাপোৰ বিনিময় হ'ব; কিন্তু উক্ত পৰিমাণৰ মদৰ ৰপ্তানিৰ সহায়ত ইংলেণ্ডৰপৰা ১.২ গোট কাপোৰ আহৰণ কৰিব পৰা যায়। অন্যহাতেদি ইংলেণ্ডৰ কাৰণে কাপোৰ উৎপাদন আৰু ৰপ্তানিত আত্মনিয়োগ কৰাটো লাভজনক হ'ব। কাৰণ নিজ দেশত মদৰ এটা গোট আহৰণ কৰিবৰ অৰ্থে কাপোৰৰ ১.২ গোট বিনিময় কৰিবলগীয়া হয়; কিন্তু পৰ্তুগালত ১.২ গোট কাপোৰৰ সহায়ত মদৰ এটা গোটতকৈ অধিক আহৰণ কৰিব পৰা যাব। কাৰণ পৰ্তুগালৰ কাপোৰ আৰু মদৰ বিনিময় হাৰ হৈছে ০.৮৮ ঃ ১। গতিকে মদৰ এটা

গোটৰ বিপক্ষে ০.৮৮ আৰু ১.২ গোট কাপোৰৰ মাজৰ যিকোনো বিনিময় হাৰ দুইখন দেশৰ কাৰণে সুবিধাজনক হ'ব।

উদাহৰণস্বৰূপে, যদি মদ আৰু কাপোৰৰ বিনিময় হাৰ ১ঃ১ হয়, তেতিয়া ইংলেণ্ডে প্ৰতি ১০০ গোট শ্ৰমিকৰদ্বাৰা উৎপাদন কৰা কাপোৰৰ এটা গোটৰ পৰিবৰ্তে পৰ্তুগালৰপৰা মদৰ এটা গোট ক্ৰয় কৰিব পাৰিব। কিন্তু বাণিজ্যৰ অবিহনে ইংলেণ্ডত মদৰ উক্ত গোটটো উৎপাদন কৰোঁতে শ্ৰমিকৰ ১২০ টা গোট ব্যয় হ'ব। অন্যহাতেদি দুয়োখন দেশত বাণিজ্য সম্পাদন হোৱাৰ কাৰণে পৰ্তুগালে ইংলেণ্ডৰপৰা কাপোৰৰ এটা গোট ক্ৰয় কৰোঁতে শ্ৰমিকৰ ৮০ টা গোট ব্যয় হ'ব, কিন্তু একে পৰিমাণৰ কাপোৰ নিজ দেশত উৎপাদন কৰোঁতে পৰ্তুগালৰ ব্যয় আছিল ৯০জন শ্ৰমিক।

এনেভাৱে তুলনামূলক ব্যয় পাৰ্থক্যৰ বাবে দুয়োখন দেশে যেতিয়া বাণিজ্য সম্পাদন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে তেতিয়া দুয়োখন দেশেই লাভৱান হয়।

## ৰিকাৰ্ডোৰ তত্ত্বৰ গাণিতিক ব্যাখ্যা

ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় সুবিধাৰ তত্ত্বটো এটা সমীকৰণৰ মাধ্যমতো ব্যাখ্যা কৰিব পৰা যায়। ধৰাহওক, দুখন দেশৰ আৰু দুটা দ্ৰব্যৰ উদাহৰণ। 'A' নামৰ দ্ৰব্যটো ১নং দেশখনত উৎপাদন কৰোঁতে শ্ৰমিকৰ মানত ব্যয় হয় '$a_1$' আৰু ২নং দেশখনত ব্যয় হয় $a_2$ । অন্যহাতেদি 'B' নামৰ দ্ৰব্যটো ১নং দেশখনে $b_1$ ব্যয়ত আৰু ২নং দেশখনে $B_2$ ব্যয়ত উৎপাদন কৰে। যদি $\frac{a_1}{a_2} < 1 < \frac{b_1}{b_2}$ বুলি ধৰা হয়; তেতিয়া উল্লেখিত ব্যয়ৰ তথ্যই পূৰ্ণ ব্যয় পাৰ্থক্যৰ উপস্থিতিৰ নিৰ্দেশ দিয়ে। এইক্ষেত্ৰত ২নং দেশখনৰ উৎপাদনী ব্যয়ৰ ভিত্তিত ১নং দেশখনৰ 'A' দ্ৰব্য উৎপাদনৰ আৰু ১নং দেশখনৰ উৎপাদনী ব্যয়ৰ ভিত্তিত ২নং দেশখনৰ 'B' দ্ৰব্য উৎপাদনত পূৰ্ণ সুবিধা (absolute advantage) আছে। কিন্তু যদি $\frac{a_1}{a_2} < 1 < \frac{b_1}{b_2} < 1$ হয়, তেতিয়া দেশ দুখনৰ মাজত দ্ৰব্য দুটা উৎপাদনৰ ক্ষেত্ৰত যে তুলনামূলক ব্যয় পাৰ্থক্য আছে সেইটোৱেই দৃষ্টিগোচৰ হয়। উল্লেখিত ব্যয় পাৰ্থক্যই এইটো স্পষ্ট কৰি দিছে যে ১নং দেশখনৰ 'A' আৰু 'B' দুয়োটা দ্ৰব্য উৎপাদনতেই সিহঁতৰ উৎপাদনী ব্যয়ৰ দৃষ্টিকোণৰপৰা ২নং দেশতকৈ অধিক সুবিধা আছে, কিন্তু তুলনামূলকভাৱে বিচাৰ কৰিলে ১নং দেশখনৰ 'B' দ্ৰব্যৰ তুলনাত 'A' দ্ৰব্য উৎপাদনত সুবিধা অধিক। 1

2016 **মুদ্ৰাৰ ব্যয়ৰ মানত তুলনামূলক ব্যয় তত্ত্বৰ ব্যাখ্যা ঃ** অৰ্থনীতিবিদ ৰিকাৰ্ডোৱে তুলনামূলক ব্যয় তত্ত্বটো শ্ৰমৰ ব্যয়ৰ মানত ব্যাখ্যা কৰিছে; কিন্তু আধুনিক যুগৰ অৰ্থনীতি হৈছে মুদ্ৰাৰ অৰ্থনীতি আৰু এনে অৰ্থনীতিত দ্ৰব্য-সামগ্ৰীৰ উৎপাদনী ব্যয় মুদ্ৰাৰ মানত প্ৰকাশ কৰা হয়। অৰ্থনীতিবিদ টাউছিগ (Taussig)- এ ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় তত্ত্বটো মুদ্ৰা ব্যয়ৰ মানত পুনৰ ব্যাখ্যা কৰিছে। তেখেতৰ এই তত্ত্বটো তলত দাঙি ধৰা হৈছে।

ধৰাহওক, 'ক' আৰু 'খ' নামৰ দুখন দেশৰ উদাহৰণ। দেশ দুখনৰ শ্ৰমিকৰ মজুৰিৰ ভিত্তিত কাপোৰ আৰু মদৰ উৎপাদনী ব্যয় তলত দিয়া ধৰণৰ—

**মদ আৰু কাপোৰৰ উৎপাদনী ব্যয়**

| দেশ | এদিনৰ শ্ৰমৰ উৎপাদন | দৈনিক মজুৰি বা দৈনিক মজুৰিৰ মানত প্ৰতিদিনে শ্ৰমিকৰ ওপৰত হোৱা মুদ্ৰা ব্যয় | মৌদ্ৰিক ব্যয় বা উৎপাদিত দ্ৰব্যৰ প্ৰতি গোটৰ যোগান মূল্য |
|---|---|---|---|
| 'ক' | মদৰ ২০ টা গোট | ১০ টকা | ৫০ পইচা |
| | কাপোৰৰ ২০ টা " | ১০ " | ৫০ " |
| 'খ' | মদৰ ১০ টা গোট | ৮ " | ৮০ " |
| | কাপোৰৰ ১৫ টা " | ৮ " | ৫৩ " |

ওপৰৰ তালিকাৰপৰা এইটো স্পষ্ট হৈছে যে তুলনামূলকভাৱে 'ক' নামৰ দেশখনত 'খ' নামৰ দেশখনতকৈ কাপোৰৰ তুলনাত মদৰ উৎপাদনী ব্যয় কম। গতিকে ৰিকাৰ্ডোৰ তত্ত্ব অনুসৰি 'ক' দেশখনে মদৰ উৎপাদন আৰু ৰপ্তানিত আত্মনিয়োগ কৰিব। অন্যহাতেদি 'খ' দেশখনৰ কাপোৰ উৎপাদনত আপেক্ষিকভাৱে অসুবিধা কম আৰু সেইকাৰণে এই দেশখনে কাপোৰ উৎপাদন আৰু ৰপ্তানিত আত্মনিয়োগ কৰিব।

**সমালোচনা (Criticism) ঃ** সংস্থাপিত অৰ্থনীতিবিদসকলে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কাৰণ দৰ্শাই যিবোৰ ব্যাখ্যা আগবঢ়াইছিল উক্ত ব্যাখ্যাসমূহৰ ভিতৰত ৰিকাৰ্ডোৰ তত্ত্ব যে উত্তম এই বিষয়ে সন্দেহ নাই প্ৰথম মহাযুদ্ধৰ আগলৈকে ৰিকাৰ্ডোৰ তত্ত্বটোকেই আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কাৰণ ব্যাখ্যাৰ উপযুক্ত তত্ত্ব হিচাপে গ্ৰহণ কৰা হৈছিল। মহাযুদ্ধৰ পৰৱৰ্তী কালছোৱাটো আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ যিখিনি তত্ত্ব গঠন হৈছিল উক্ত তত্ত্বসমূহো ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় তত্ত্বৰ আনুষাংগিক ব্যাখ্যাহে। অৰ্থনীতিবিদ পি. এ. চেমুৱেলচনে এই তত্ত্বটোৰ গুৰুত্বতা ব্যাখ্যা কৰি কৈছে যে এখন ৰাষ্ট্ৰই যদি তুলনামূলক সুবিধাৰ তত্ত্বটো আওকাণ কৰে তেতিয়া দেশখনে জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড আৰু সম্ভাব্য উন্নয়নৰ মানত উচ্চ মূল্য দিবলগীয়া হয়। অৱশ্যে তুলনামূলক ব্যয় তত্ত্বটোৰ এনে গুৰুত্বতাৰ সত্ত্বেও ই তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছে। এই তত্ত্বটোক সমালোচনা কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা দুজন অৰ্থনীতিবিদ হৈছে ফ্ৰেংক গ্ৰাহাম (Frank Graham) আৰু বাৰ্টিল অ'লিন (Bertil Ohlin)। তলত এই তত্ত্বৰ বিপক্ষে আগবঢ়োৱা প্ৰধান সমালোচনাসমূহ চমুকৈ ব্যাখ্যা কৰা হৈছে।

**(১) শ্ৰমৰ মানত দ্ৰব্যৰ উৎপাদনী ব্যয় নিৰ্ধাৰণ ঃ** ৰিকাৰ্ডোৰ তত্ত্বটোৰ প্ৰধান দুৰ্বলতা হৈছে দ্ৰব্যৰ উৎপাদন ব্যয় শ্ৰমৰ মানত নিৰ্ধাৰণ। এই তত্ত্বটোৰ এটা প্ৰধান অভিধাৰণা হৈছে যে শ্ৰমিকেই হৈছে একমাত্ৰ উৎপাদনৰ উপাদান আৰু বিভিন্ন প্ৰকাৰৰ শ্ৰমিকৰ মূল্য সকলোৰে কাৰণে প্ৰযোজ্য হোৱা এটা নিৰ্দিষ্ট প্ৰকাশ কৰিব পৰা যায়। ইয়াৰোপৰি ৰিকাৰ্ডোৰ তত্ত্ব অনুসৰি সকলো দ্ৰব্যৰ উৎপাদনৰ ক্ষেত্ৰত শ্ৰম আৰু মূলধনৰ অনুপাত অপৰিৱৰ্তিত হৈ থাকে। কিন্তু ৰিকাৰ্ডোৰ এনে অভিধাৰণা অবাস্তৱ; কাৰণ এটা দ্ৰব্যৰ উৎপাদনৰ অৰ্থে শ্ৰমিকৰ উপৰিও উৎপাদনৰ আন কেইটা উপাদানৰ দৰকাৰ হয়। গতিকে দ্ৰব্যৰ উৎপাদনী ব্যয় মুদ্ৰাৰ মানত প্ৰকাশ কৰিব পৰা যায়। শ্ৰমৰ মানত ইয়াৰ পৰিমাণ নিৰ্ধাৰণ সম্ভৱপৰ নহয়।

**(২) পূৰ্ণ প্ৰতিযোগিতাৰ অভিধাৰণা ঃ** ৰিকাৰ্ডোৰ তত্ত্বটোৰ এটা প্ৰধান অভিধাৰণা হৈছে উৎপাদিত দ্ৰব্য আৰু উৎপাদনৰ উপাদানসমূহৰ বজাৰ পূৰ্ণ প্ৰতিযোগিতামূলক; কিন্তু বাস্তৱ ক্ষেত্ৰত দুয়োখন বজাৰেই হৈছে অপূৰ্ণ প্ৰতিযোগিতাৰ বজাৰ। গতিকে এনে অপূৰ্ণ প্ৰতিযোগিতাৰ বজাৰত ৰিকাৰ্ডোৰ তত্ত্বটোৱে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কাৰণ ব্যাখ্যা কৰিব নোৱাৰে।

**(৩) স্থিতীয় বিশ্লেষণ ঃ** ৰিকাৰ্ডোৰ তত্ত্বটো এক স্থিতীয় বিশ্লেষণৰ অন্তৰ্ভুক্ত কৰা হয়। কাৰণ ৰিকাৰ্ডোৱে তেখেতৰ তত্ত্বটো গঠন কৰোঁতে অপৰিবৰ্তনীয় উৎপাদনকাৰ্য, অপৰিবৰ্তনীয় উপভোক্তাৰ ৰুচি, অপৰিবৰ্তনশীল উপাদানৰ যোগান আদি অভিধাৰণা কৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত আমি দেখিবলৈ পাওঁ যে প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ কাৰণে উৎপাদন কাৰ্যৰ পৰিবৰ্তন ঘটাৰ উপৰিও উপভোক্তাৰ ৰুচিৰ পৰিবৰ্তন হয় আৰু উপাদানসমূহৰ যোগানৰো পৰিবৰ্তন হয়। এনে পৰিবৰ্তনে উদ্যোগৰ গাঁথনিৰ পৰিবৰ্তন ঘটায়। এনে অৱস্থাসমূহৰ উপস্থিতিত ৰিকাৰ্ডোৰ তত্ত্বটো আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কাৰণ ব্যাখ্যা কৰাত বিফল হয়।

**(৪) অপৰিবৰ্তনীয় প্ৰতিদান বিধিৰ অভিধাৰণা ঃ** অপৰিবৰ্তনীয় ব্যয়বিধিৰ ভিত্তিত তুলনামূলক ব্যয় তত্ত্বটো গঠন কৰা হৈছিল; কিন্তু বাস্তৱক্ষেত্ৰত উৎপাদন কাৰ্যত ক্ৰমহ্ৰাসমান প্ৰতিদান বিধিহে প্ৰযোজ্য হোৱা দেখা যায়। এই বিধিটো প্ৰযোজ্য হোৱাৰ ফলত উৎপাদনী ব্যয় বৃদ্ধি হয় আৰু ব্যয় বৃদ্ধিৰ কাৰণে দুখন দেশৰ এটা দ্ৰব্যৰ ক্ষেত্ৰত থকা উৎপাদনী ব্যয়ৰ পাৰ্থক্য নাইকিয়া হ'ব পাৰে। এনে অৱস্থাত দেশ দুখনৰ মাজত বাণিজ্য সম্পাদন হ'ব নোৱাৰে।

**(৫) যোগানৰ ওপৰত অত্যধিক গুৰুত্বতা আৰোপ ঃ** তুলনামূলক ব্যয় তত্ত্বটোৱে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কাৰণ ব্যাখ্যা কৰোঁতে দ্ৰব্যৰ যোগানৰ অৱস্থাসমূহৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। আমদানি আৰু ৰপ্তানি দ্ৰব্যৰ ক্ষেত্ৰত থকা চাহিদাই সিহঁতৰ মূল্যৰ ওপৰতযে প্ৰভাৱ বিস্তাৰ কৰে সেই বিষয়ে এই তত্ত্বটোত উল্লেখ কৰা হোৱা নাই। বিশেষকৈ উৎপাদনী ব্যয় পৰিবৰ্তনীয় হোৱা অৱস্থাত দ্ৰব্য-সামগ্ৰীৰ প্ৰতি চাহিদাই যে এখন দেশৰ আমদানি আৰু ৰপ্তানিৰ আপেক্ষিক মূল্য নিৰ্ধাৰণ কৰে সেইবিষয়ে ৰিকাৰ্ডোৰ তত্ত্বত উল্লেখ নাই।

উপৰোক্ত প্ৰধান সমালোচনাৰ উপৰিও ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় তত্ত্বটোত দ্ৰব্যৰ উৎপাদনী ব্যয়ৰ ওপৰত পৰিবহণৰ ব্যয়ৰ প্ৰভাৱৰ বিষয়ে উল্লেখ কৰা হোৱা নাই; কিন্তু বাস্তৱক্ষেত্ৰত দেখা যায় যে এখন দেশে এটা দ্ৰব্য আমদানি কৰি যিখিনি সুবিধা উপভোগ কৰিব পাৰে উচ্চ পৰিবহণৰ ব্যয়ে উক্ত সুবিধাখিনিৰ বিলুপ্তি ঘটাব পাৰে। ইয়াৰোপৰি ৰিকাৰ্ডোৰ তত্ত্বটো দুখন দেশ আৰু দুটা দ্ৰব্যৰ ভিত্তিত হোৱাৰ কাৰণেও ইয়াক সমালোচনা কৰা হয়। কাৰণ সাম্প্ৰতিক কালত প্ৰতিখন দেশেই বিভিন্ন দ্ৰব্য-সামগ্ৰীৰ আমদানি আৰু ৰপ্তানিৰ কাৰ্যত লিপ্ত হোৱাৰ লগতে বহুপক্ষীয় বাণিজ্য সম্পাদনত গুৰুত্ব আৰোপ কৰে।

ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় তত্ত্বটোৱে মুক্ত বাণিজ্যৰ পৃষ্ঠপোষকতা কৰে আৰু সেইকাৰণে সংৰক্ষণ নীতিৰ আধাৰত আত্মনিৰ্ভৰশীল হ'বলৈ বিচৰা দেশসমূহৰ ভিতৰত এই তত্ত্বটোৰ গুৰুত্বতা পৰিলক্ষিত নহয়। উদাহৰণস্বৰূপে আত্মনিৰ্ভৰশীলতাৰ পথত অগ্ৰসৰ হ'বলৈ বিচৰা ভাৰতবৰ্ষই এনে কিছুমান দ্ৰব্য উৎপাদন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে যিবিলাকৰ উৎপাদনী ব্যয় পৃথিৱীৰ আন কিছুমান দেশতকৈ যথেষ্ট বেছি।

অনুন্নত অথবা উন্নয়নশীল দেশসমূহত ৰিকাৰ্ডোৰ তত্ত্বটোৰ কোনো গুৰুত্বতা নাই। মুক্ত বাণিজ্যৰ পৃষ্ঠপোষকতা কৰা এই তত্ত্বটোৰ ভিত্তিত অনুন্নত বা উন্নয়নশীল দেশসমূহে যদি ব্যৱসায়-বাণিজ্য সম্পাদন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে তেতিয়া এনে দেশসমূহৰ অৰ্থনীতিত